
# পখিলা



পখিলাই পাখি মেলি
নাচে উৰি উৰি
আধাফুলা কলিটিক
চায় ঘূৰি ঘূৰি।
একেলগে খেলোঁ বুলি
কলিটিক ক'লে,
ভাল পাই কলিটিয়ে
পাহি মেলি দিলে।
পাহি মেলি কলিটিয়ে
জকমক্ কৰে,
উলাহতে পখিলাৰ
মন ভৰি পৰে।

পদ্যটি অংগ-ভংগীৰে গাওঁ আহা



কোৰা আৰু লিখা।


পখিলাৰ উপৰি আৰু কি কি পতংগ ফুলত পৰে ?





পখিলা উৰে, চৰাই উৰে আৰু কি কি প্ৰাণী উৰিব পাৰে ?

পখিলাটোৰ ছবিখনত ৰং বোলাওঁ আহা



নিৰীক্ষণৰ পাছত শিক্ষকৰ

গোন্ধ থকা আৰু গোন্ধ নথকা ফুলৰ নাম তালিকাত লিখা।

| গোন্ধ থকা ফুল | গোন্ধ নথকা ফুল |
| --- | --- |
| | |


কাৰ কি নাম জানো আহা




*শিকাৰুক ফুল সংগ্ৰহ কৰি আনিবলৈ দি গোন্ধ থকা আৰু গোন্ধ নথকা ফুলৰ শ্ৰেণী বিভাজন কৰিবলৈ দিব।*

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

পঢ়োঁ আহা



এদিনাখন দুটা ভোমোৰা ফুলনিত সোমাল। দুয়ো ফুলৰ মৌ চুহি চুহি ভাগৰি পৰিল। তাৰে এটা ভোমোৰাই ফুলগছতে জিৰণি ল'লে। আনটো ভোমোৰাই লগৰীয়াক বিচাৰি ফুলনিখন চলাথ কৰিলে। অৱশেষত দুয়ো পুনৰ লগ হ'ল।

কি কি আখৰ যোগ হৈছে লিখা।

ম্ৰ  ৰ্ব  ল্য  ৰ্জ  ণ্য  ৰ্শ  দ্ৰ  ঘ্ৰ  ক্য

........................ ........................ ........................
........................ ........................ ........................
........................ ........................ ........................
........................ ........................ ........................
........................ ........................ ........................
........................ ........................ ........................

শেষৰ ধ্বনি মিলাই শব্দ লিখা।

| | | | | |
|---|---|---|---|---|
| উৰি | ঘূৰি | | | |
| কৰে | | | | |
| ক'লে | | | | |
| গাওঁ | | | | |

নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

**কাষৰ বাকচৰ পৰা যুক্তাক্ষৰ আনি অৰ্থপূৰ্ণ শব্দ গঠন কৰা।**

| | |
|---|---|
| প·······ত | অৰ······· |
| ত······· | ভ······· |
| স······· | ·······হ |
| প······· | ন······· |
| সূ······· | আ·······য় |

| | |
|---|---|
| ৰ্ব | ৰ্ক |
| ৰ্য | দ্য |
| ণ্য | ত্য |
| দ্ৰ | গ্ৰ |
| ম্ৰ | শ্ৰ |

**বাকচৰ পৰা একে অৰ্থৰ শব্দ বিচাৰি লিখা।**

দুৱাৰ ························································
························································

বছৰ ························································
························································

তুলাচনী ························································
························································

আকাল ························································
························································

সাপ ························································
························································

ভোমোৰা ························································
························································

সোণ ························································
························································

| | |
|---|---|
| বৰ্ষ | দৰ্জা |
| তৰ্জু | দুৰ্ভিক্ষ |
| সৰ্প | সুৱৰ্ণ |
| ভ্ৰমৰ | |



নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

'ৰ'ৰ সলনি ৰেফ (৴) যোগ কৰি তলৰ শব্দবোৰ লিখা।

হৰষ — হৰ্ষ

বৰষ — ...............

গৰজন — ...............

কৰম — ...............

ধৰম — ...............

দুৰদিন — ...............

পৰবত — ...............



বাকচত থকা 'ৰ'ৰ সলনি '৮'কাৰ বহুৱাই শব্দ পঢ়া আৰু লিখা।

প + ৰ + ণা + ম = প্ৰণাম

হ + ৰ + দ = ...............

প + ত + ৰ = ...............

ন + ম + ৰ = ...............

ভ + দ + ৰ = ...............


গ + ৰ + হ = ...............

শ + ৰ + ম = ...............



নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

gছজোপাত কি কি দেখিছা লিখা।



........................ ........................

........................ ........................

........................ ........................

........................ ........................

## গাই গাই নাচোঁ আহা

হালি-জালি পখিলী
ফুল মধু বিচাৰি
আহে কেনে ঠেও ধৰি ঐ,
ফুলাম পাখি মেলি
নাচি নাচি উৰি উৰি
উলাহতে মতলীয়া হৈ।

কতবাৰ আহে যায়
ফুল ৰাণীক দেখা পাই
উলাহতে নাচে বতাহত;
পখিলাটিক দেখা পাই
লাজতে মৰহি গৈ
মুখ ঢাকে পাতৰ আঁৰত।





☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**বাক্য সাজা।**



পখিলা — পখিলা দেখিবলৈ ধুনীয়া।

বাগিচা — ......................................................

মৌ-মাখি — ......................................................

ভোমোৰা — ......................................................

ফুল — ......................................................

**ঘৰৰ পৰা মিলাই লৈ শব্দ সাজি লিখা।**




প্ৰ

- ধান — প্ৰধান
- লয় — ..............................
- হাৰ — ..............................
- দান — ..............................
- চাৰ — ..............................
- কাৰ — ..............................
- বাস — ..............................

নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

'প' বৰ্ণৰে শব্দ সাজোঁ আহা




পখিলাৰ বিষয়ে কেইশাৰীমান বাক্য লিখা।

নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী